নিয়মীয়া বাৰ্তা
দেওবাৰ, ৩ ফেব্ৰুৱাৰী ২০১৯

### ছয়দুৱাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক শোভাযাত্ৰা

# বৰ্ণিল কৃষ্টি-সংস্কৃতিৰ প্ৰদৰ্শনেৰে মুখৰিত গহপুৰ নগৰ



নিয়মীয়া বাৰ্তা, হেলেম, ২ ফেব্ৰুৱাৰী ঃ গহপুৰ মহকুমাৰ একমাত্ৰ পূৰ্ণাংগ উচ্চ শিক্ষানুষ্ঠান ছয়দুৱাৰ মহাবিদ্যালয়ৰ চলিত বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ উপলক্ষে আজি পুৱা ১১ মান বজাত বাহিৰ কৰা বাৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰাই এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। গহপুৰ নগৰৰ মাজমজিয়াত অৱস্থিত মহাবিদ্যালয়খনৰ সাংস্কৃতিক শোভাযাত্ৰাত শিক্ষাৰ্থীসকলে প্ৰদৰ্শন কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ বৰ্ণিল কৃষ্টি-সংস্কৃতিৰ লগতে একাধিক প্ৰতীকপটে গহপুৰ নগৰৰ পৰিৱেশ মুখৰিত কৰি তোলে। গহপুৰ নগৰৰ মাজেৰে শৃংখলাবদ্ধভাৱে বাহিৰ কৰা শোভাযাত্ৰাটিত বৃহত্তৰ অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগস্বৰূপ বড়ো, মিচিং আদি বিভিন্ন জাতি-জনগোষ্ঠীৰ জাতীয় সাজ-পোছাক পৰিধানেৰে শিক্ষাৰ্থীসকলে প্ৰদৰ্শন কৰা সাতামপুৰুষীয়া কৃষ্টি-সংস্কৃতিৰ প্ৰদৰ্শনে সমন্বয় আৰু ভাতৃত্ববোধৰ সাতোৰঙী ৰামধেনুৰ সৃষ্টি কৰি গহপুৰ নগৰত সম্প্ৰীতিৰ এনাজৰী দাঙি ধৰে। আনহাতে, শ্বহীদ বীৰাংগনা কনকলতা বৰুৱা, শ্বহীদ বীৰ মুকুন্দ কাকতিৰ দেশৰ স্বাধীনতাৰ বাবে আত্মবলিদান, স্বচ্ছতা, কন্যা সুৰক্ষা, অসমৰ মুগা শিল্প আদি বিষয়ৰ মনোগ্ৰাহী প্ৰতীকপটসমূহে শোভাযাত্ৰাক এক আকৰ্ষণীয় মাত্ৰা প্ৰদান কৰে। উল্লেখ্য যে মহাবিদ্যালয়খনৰ বিভিন্ন বিভাগৰ শিক্ষাৰ্থীসকলে সুকীয়া সুকীয়াকৈ বিভিন্ন বিষয়ৰ দৃষ্টিনন্দন প্ৰতীকপটৰ প্ৰদৰ্শন কৰি শোভাযাত্ৰাটিক বৰ্ণাঢ্য ৰূপ প্ৰদান কৰে।

Scanned with Oken Scanner